**28T LOPH**

# 2018

# LOGIC AND PHILOSOPHY

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

*The figures in the margin indicate full marks for the questions.*

| | |
|---|---|
| *Q. No. 1 carries 1 mark each* | 1×12 = 12 |
| *Q. No. 2 – 13 carries 2 marks each* | 2×12 = 24 |
| *Q. No. 14 – 23 carries 4 marks each* | 4×10 = 40 |
| *Q. No. 24 – 27 carries 6 marks each* | 6×4 = 24 |
| | Total = 100 |

1. Give very short answer : 1×12=12

অতি চমু উত্তৰ দিয়া ঃ

(a) What is induction improperly so called ? 1

তথাকথিত আগমন বা আগমনাভাস কাক বোলে?

(b) Is the conclusion of scientific induction certain ? 1

বৈজ্ঞানিক আগমনৰ সিদ্ধান্ত নিশ্চিত স্বভাৱৰ হয়নে?

(c) What is the basis of unscientific induction ? 1

অবৈজ্ঞানিক আগমনৰ আধাৰ কি?

(d) "Plants like men have birth, growth, decay and death. Men possess intelligence, therefore plants also possess intelligence". — What type of analogical argument is this ? 1

"মানুহৰ দৰে উদ্ভিদৰো জন্ম, বৃদ্ধি আৰু মৃত্যু আছে। মানুহৰ বুদ্ধি আছে। গতিকে উদ্ভিদৰো বুদ্ধি আছে"। এনে সাদৃশ্যমূলক অনুমানক কোন প্ৰকাৰৰ সাদৃশ্যমূলক অনুমান বুলি কোৱা হয়?

(e) "The course of the world is not a uniformity, but uniformities". — Who said this ? 1

"জগতৰ ক্ৰম কেৱল এটা নিয়মৰ অধীন নহয়, ই বহুতো নিয়মৰ অধীন"। — কথা ষাৰ কোনে কৈছিল?

(f) Can there be more than *one* cause of an effect ? 1

*এটা* কাৰ্যৰ এটাতকৈ অধিক কাৰণ থাকিব পাৰেনে?

(g) What is working hypothesis ? 1

কাৰ্যকৰী প্ৰকল্প কাক বোলে?

(h) Give *one* example of a secondary quality. 1

গৌণ গুণৰ *এটা* উদাহৰণ দিয়া।

(i) Name the philosopher who said that *esse est percipi* ? 1

"প্ৰত্যক্ষতে বস্তু বিদ্যমান" বুলি কোনে কৈছিল?

(j) What is called a voluntary action ? 1

ঐচ্ছিক ক্ৰিয়া কাক বোলে?

(k) Give *one* example of a non-moral action. 1

নিৰ্নৈতিক কৰ্মৰ *এটা* উদাহৰণ দিয়া।

(l) From which Latin word the term "Religion" has been derived ? 1

ইংৰাজী Religion শব্দটো কি লেটিন শব্দৰ পৰা উদ্ভৱ হৈছে?

2. What is a good analogy ? 2

সুসাদৃশ্যমূলক অনুমান কাক বোলে?

3. Name the theory according to which Thought and Reality are at bottom identical (Reality is rational). Who advocates the theory ? 2

"চিন্তা আৰু সত্তা পৰিশেষত অভিন্ন" (সত্তা বৌদ্ধিক) বুলি প্ৰকাশ কৰা দাৰ্শনিক তত্বটোৰ নাম লিখা। এই তত্বটোৰ পোষকতা কৰা দাৰ্শনিক জন কোন?

4. Define inductive leap. 2

আগমনাত্মক জাঁপ বা আগমনাত্মক সংকটৰ সংজ্ঞা দিয়া।

5. What is the meaning of the law of the conservation of matter and energy ? 2

দ্ৰব্য আৰু শক্তিৰ অবিনশ্বৰতাৰ সূত্ৰ টোৰ অৰ্থ কি লিখা।

*Or / নাইবা*

What is the intellectual condition of observation ? 2

নিৰীক্ষণৰ বৌদ্ধিক চৰ্ত কি লিখা।

6. Why the conclusion of analogical argument is probable ? 2

সাদৃশ্য মূলক অনুমানৰ সিদ্ধান্ত কিয় সম্ভাৱনামূলক?

7. State Mill's canon of the Method of Agreement. 2

অন্বয়ী পদ্ধতি সম্পৰ্কে তৰ্কবিদ মিলে আগবঢ়োৱা সূত্ৰটো লিখা।

8. Name the experimental method which determines the quantitative relation between cause and effect. 2

কাৰণ আৰু কাৰ্যৰ মাজত থকা পৰিমাণগত সম্পৰ্ক বিচাৰ কৰা পৰীক্ষণমূলক পদ্ধতিটোৰ নাম লিখা।

9. Can an action of an insane person be called a moral action ? Give *one* reason in support of your views. 1+1=2

এজন উন্মাদ ব্যক্তিৰ ক্ৰিয়াক নৈতিক কৰ্ম বুলি ক'ব পাৰিবনে? তোমাৰ মতৰ সপক্ষে *এটা* যুক্তি আগবঢ়োৱা।

10. What is the meaning of 'intention' ? 2

'অভিপ্ৰায়'ৰ অৰ্থ কি?

11. What are the ultimate values of human life ? Name the ideal or the value with which ethics is concerned. 1+1=2

মানৱ জীৱনৰ পৰম মূল্য কেইটা কি কি? কি আদৰ্শ বা মূল্যৰ লগত নীতিবিদ্যা জড়িত?

12. Write *two* points of similarity between Religion and Morality. 1+1=2

ধৰ্ম আৰু নৈতিকতাৰ মাজত থকা *দুটা* সাদৃশ্য উল্লেখ কৰা।

Or / *নাইবা*

Why is the Method of Difference called a Method of Proof ?

ব্যতিৰেকী প্ৰণালীক কিয় প্ৰমাণৰ প্ৰণালী বুলি কোৱা হয়?

13. What is formal cause according to Aristotle ? 2

এৰিষ্টটোলৰ মতে আকাৰগত কাৰণ কাক বোলে?

14. Explain the meaning of 'purusartha'. What are the *four* values or goals of human life as recognised by Classical Indian Philosophy ? 2+2=4

'পুৰুষাৰ্থ'ৰ অৰ্থ কি ব্যাখ্যা কৰা। প্ৰাচীন ভাৰতীয় দৰ্শনত স্বীকৃতি দিয়া মানৱ জীৱনৰ *চাৰিটা* পৰম মূল্য কি লিখা।

15. State the principle of elimination on which the method of Difference is based. 4

ব্যতিৰেকী প্ৰণালী প্ৰতিস্থিত হোৱা অপসৰণৰ সূত্ৰটো উল্লেখ কৰা।

*Or / নাইবা*

Explain the fallacies of observation with examples.

নিৰীক্ষণৰ দোষ সমূহ উদাহৰণ সহ ব্যাখ্যা কৰা।

16. Explain the different stages of hypothesis with examples. 4

উদাহৰণৰ সৈতে প্ৰকল্পৰ বিভিন্ন স্তৰ সমূহ ব্যাখ্যা কৰা।

17. Mention *four* disadvantages of the Method of Difference. 4

ব্যতিৰেকী পদ্ধতিৰ *চাৰিটা* অসুবিধা উল্লেখ কৰা।

*Or / নাইবা*

Why Mill has described the experimental methods as the 'methods of elimination' ?

পৰীক্ষণ মূলক পদ্ধতি সমূহক মিলে কিয় 'অপসৰণৰ পদ্ধতি' বুলি আখ্যা দিছে?

18. "The ground of induction is the result of induction" – State *two* reasons as to why this statement of Mill cannot be accepted.

2+2=4

"আগমনৰ ভিত্তি আগমনৰ ফল" — মিলৰ এই উক্তি কিয় গ্ৰহণ কৰিব নোৱাৰি তাৰ *দুটা* কাৰণ উল্লেখ কৰা।

*Or / নাইবা*

Define scientific realism. State the exponent of scientific realism.

3+1=4

বৈজ্ঞানিক বাস্তৱবাদৰ সংজ্ঞা আগবঢ়োৱা। বৈজ্ঞানিক বাস্তৱবাদৰ প্ৰবক্তা জনৰ নাম লিখা।

19. Which theory holds that the external world can be known directly as it really is ? State *two* reasons as to why this theory cannot be accepted. 2+2=4

কোন তত্ত্বমতে বহিঃজগতখন যিধৰনে আছে প্ৰত্যক্ষভাবে সেইদৰে সঠিক জনা যায় ? কিয় এই সূত্ৰটো গ্ৰহনযোগ্য নহয় তাৰ দুটা কাৰণ উল্লেখ কৰা।

20. What is solipsism ? Name the theory with which solipsism is associated. 2+2=4

আত্মবাদ কি ? আত্মবাদৰ লগত জড়িত তত্ত্বটোৰ নাম লিখা।

21. State the names of different kinds of induction with chart. 2+2=4

তালিকাৰে সৈতে বিভিন্ন প্ৰকাৰৰ আগমন অনুমানৰ নাম সমূহ উল্লেখ কৰা।

22. State *four* points of difference between scientific induction and unscientific induction. 4

বৈজ্ঞানিক আগমন আৰু অবৈজ্ঞানিক আগমনৰ মাজত থকা *চাৰিটা* পাৰ্থক্য উল্লেখ কৰা।

Or / নাইবা

Name the fallacy which sometimes vitiates the Method of Difference when employed as a method of observation. Give an example in this context.

নিৰীক্ষণৰ ওপৰত নিৰ্ভৰ কৰি অসাৱধান ভাবে ব্যতিৰেকী প্ৰণালী প্ৰয়োগ কৰিলে তেনে অনুমান কি দোষেৰে দূষিত হয়? এই সন্দৰ্ভত এনে দোষৰ এটা উদাহৰণ দিয়া।

23. Explain very briefly *four* advantages of experiment over observation. 4

নিৰীক্ষণৰ তুলনাত পৰীক্ষণৰ *চাৰিটা* সুবিধা অতি চমুকৈ ব্যাখ্যা কৰা।

24. Define scientific induction with example. State why it is called 'Scientific'. Briefly explain *three* features of scientific induction.

2+1+3=6

উদাহৰণসহ বৈজ্ঞানিক আগমনৰ সংজ্ঞা আগবঢ়োৱা। এইবিধ আগমনক কিয় "বৈজ্ঞানিক" আগমন বোলা হয় লিখা। বৈজ্ঞানিক আগমনৰ *তিনিটা* বৈশিষ্ট্য চমুকৈ ব্যাখ্যা কৰা।

*Or / নাইবা*

What is Analogy ? How can the value of analogical argument be determined ? 2+4=6

সাদৃশ্য মূলক অনুমান কাক বোলে? সাদৃশ্য মূলক অনুমানৰ মূল্যকেনেদৰে নিৰ্দ্ধাৰণ কৰা হয়?

25. Explain the principle of the Uniformity of Nature. Why it is called the formal ground of induction ? 4+2=6

প্ৰকৃতিৰ একৰূপতা বিধিটো ব্যাখ্যা কৰা। এই বিধিটোক কিয় আগমনৰ আকাৰগত ভিত্তি বুলি কোৱা হয়?

*Or / নাইবা*

What is observation ? Describe the characteristics of observation. 1+5=6

নিৰীক্ষণ কাক বোলে? নিৰীক্ষণৰ বৈশিষ্ট্য সমূহ বৰ্ণনা কৰা।

26. What are the conditions of a legitimate hypothesis ? Explain *any two* of them. 2+4=6

বৈধ প্ৰকল্পৰ চৰ্ত সমূহ কি কি? বৈধ প্ৰকল্পৰ *দুটা* চৰ্ত ব্যাখ্যা কৰা।

***Or / নাইবা***

Explain and illustrate the following types of hypotheses :

*(a)* Hypothesis Concerning Agent

*(b)* Hypothesis Concerning Law and

*(c)* Hypothesis Concerning Collocation.

2+2+2=6

উদাহৰণসহ তলত দিয়া প্ৰকল্প সমূহৰ ব্যাখ্যা আগবঢ়োৱা ঃ

(ক) কৰ্তা বা কাৰণ বিষয়ক প্ৰকল্প

(খ) নিয়ম বিষয়ক প্ৰকল্প

(গ) পাৰিপাৰ্শ্বিক সংস্থিতি বিষয়ক প্ৰকল্প।

27. Explain briefly *three* advantages of the Method of Agreement. Why is this method called the Method of Discovery ? 4+2=6

অন্বয়ী পদ্ধতিৰ *তিনিটা* সুবিধা চমুকৈ ব্যাখ্যা কৰা। এই পদ্ধতিক কিয় 'আবিষ্কাৰৰ প্ৰণালী' বুলি কোৱা হয়?

*Or / নাইবা*

State Mill's canon of the Method of Concomitant Variation. Explain the limitations of this method.

সহ পৰিবৰ্তন প্ৰণালী সম্পৰ্কে মিলৰ সূত্ৰ উল্লেখ কৰা। এই প্ৰণালীৰ অসুবিধা সমূহ ব্যাখ্যা কৰা।

——×——